# প্ৰতিষ্ঠানিক পৰিকল্পনা

# (Institutional Planning)

- প্ৰতিষ্ঠানিক পৰিকল্পনা ঃ অৰ্থ, প্ৰকৃতি আৰু বৈশিষ্ট্যসমূহ
- প্ৰতিষ্ঠানিক পৰিকল্পনাৰ প্ৰকাৰসমূহ
- প্ৰতিষ্ঠানিক পৰিকল্পনাৰ গুৰুত্বতা
- শৈক্ষিক পৰিকল্পনা, বিদ্যালয় সময় তালিকা আৰু সহ-পাঠ্যক্ৰমিক কাৰ্যাৱলী

■ **প্ৰতিষ্ঠানিক পৰিকল্পনাৰ অৰ্থ (Meaning of Institutional Planning) ঃ** সৰল অৰ্থত প্ৰতিষ্ঠানিক পৰিকল্পনা বা অনুষ্ঠানগত পৰিকল্পনাই শিক্ষানুষ্ঠান এখনৰ নিজৰ মাজত স্বকীয় ধ্যান-ধাৰণা অনুসৰি গ্ৰহণ কৰা প্ৰাথমিক কৰ্ম আঁচনিক বুজায়। অধ্যাপক এম বি বুছে প্ৰতিষ্ঠানিক পৰিকল্পনাৰ ওপৰত হোৱা এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা-চক্ৰত ইয়াৰ সংজ্ঞা দি কয়— 'শিক্ষানুষ্ঠান এখনে ইয়াৰ প্ৰয়োজনীয় দিশসমূহ চালি-জাৰি চাই আৰু অনুষ্ঠানখনৰ পৰ্যাপ্ত সম্পদৰ ওপৰত ভিত্তি কৰি শিক্ষানুষ্ঠানখনক উন্নত কৰি তোলাৰ বাবে গ্ৰহণ কৰা বিকাশমূলক আৰু উন্নয়নমূলক কৰ্ম আঁচনিকে প্ৰতিষ্ঠানিক পৰিকল্পনা বুলি অভিহিত কৰা হয়। (An institutional planning is a programme of development and improvement prepared by,an educational institution on the basis of its felt needs and the resource available or likely to be available with a view to improving the school programme and school practices). এই পৰিকল্পনা হ'ল এক প্ৰাথমিক পৰ্যায়ৰ পৰিকল্পনা, য'ত কোনো ধৰণৰ উচ্চস্তৰীয়া প্ৰতিনিধি বা শাসকসকলৰ প্ৰত্যক্ষ প্ৰভাৱ নাথাকে।

প্ৰতিষ্ঠানিক পৰিকল্পনাই শৈক্ষিক পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণক বুজায়। ভাৰতীয় শিক্ষা ব্যৱস্থাত সাধাৰণতে কেন্দ্ৰীভূত পৰিকল্পনা গ্ৰহণ আৰু প্ৰয়োগ কৰা হয়।

Scanned with CamScanner

■ **প্ৰতিষ্ঠানিক পৰিকল্পনাৰ স্বৰূপ আৰু বৈশিষ্ট্যসমূহ (Nature and characteristics of Institutional Planning) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনাৰ কিছুমান সুকীয়া বৈশিষ্ট্য আছে, যাৰ অধ্যয়নে ইয়াৰ স্বৰূপ দাঙি ধৰে। এই বৈশিষ্ট্যসমূহৰ অধ্যয়ন অবিহনে প্ৰতিষ্ঠানিক পৰিকল্পনাৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰাটো যথেষ্ট কঠিন। প্ৰতিষ্ঠানিক পৰিকল্পনাৰ বৈশিষ্ট্যবোৰ নিম্নলিখিতভাৱে আগবঢ়াব পাৰি—

১। **প্ৰয়োজনভিত্তিক পৰিকল্পনা (Need Based) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনাক

Scanned with CamScanner

সদায়ে প্ৰয়োজনভিত্তিক হিচাপে ব্যাখ্যা কৰিব পাৰি। কিয়নো শিক্ষানুষ্ঠান এখনে অনুষ্ঠানখনৰ ওপৰত পৰিকল্পনা গ্ৰহণ কৰোঁতে প্ৰথমেই স্কুল বা কলেজখনৰ প্ৰয়োজনীয়তা নাইবা অভাৱ-অভিযোগৰ দিশটো বিচাৰ কৰি চায়।

২। **লক্ষ্য প্ৰণোদিত (Objective Oriented) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনা কিছুমান লক্ষ্য-উদ্দেশ্য পূৰণৰ বাবে গ্ৰহণ কৰা হয় বাবে ইয়াক লক্ষ্য প্ৰণোদিত হিচাপে অভিহিত কৰিব পাৰি। পৰিকল্পনাত এনে লক্ষ্য-উদ্দেশ্যৰ বিষয়ে স্পষ্ট উল্লেখ কৰিব লাগে আৰু এনে কৰাৰ ফলত অপচয় আৰু অস্পষ্টতা দূৰ হ'ব।

৩। **সম্পদসমূহৰ সৰ্বাত্মক আৰু সৰ্বোৎকৃষ্ট ব্যৱহাৰ (Maximum and Optimum use of Resources) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনাই শিক্ষানুষ্ঠান এখনত পৰ্যাপ্ত হোৱা সম্পদসমূহৰ সৰ্বোৎকৃষ্ট বিকাশৰ ওপৰত লক্ষ্য নিৰ্ধাৰণ কৰে। এনেধৰণৰ সম্পদৰ মিতব্যয়ী ব্যৱহাৰে অৰ্থনৈতিক দিশটো টনকিয়াল হোৱাত শিক্ষানুষ্ঠান এখনক সহায় কৰে।

৫। **উন্নতিসূচক আৰু বিকাশমূলক (Improvemental and Developmental) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনাৰ অন্যতম বৈশিষ্ট্য হ'ল ইয়াৰ ইতিবাচক দিশ। কোনো এক প্ৰতিষ্ঠানিক পৰিকল্পনাই সদায় অনুষ্ঠানখনত বিৰাজ কৰি থকা অৱস্থাৰ উন্নতি সাধন কৰা আৰু কিছু নতুনত্বৰ সংযোজন ঘটোৱাত গুৰুত্ব আৰোপ কৰে।

৬। **হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী পৰিকল্পনা (Short term and long term planning) ঃ** কোনো এক পৰিকল্পনা কম সময়ৰ বাবে নাইবা দীৰ্ঘ সময়ৰ বাবেও গ্ৰহণ কৰিব পাৰি। এই পৰিকল্পনা হ্ৰস্বম্যাদী অথবা দীৰ্ঘম্যাদী যিকোনো ধৰণৰেই হ'ব পাৰে। বহু ক্ষেত্ৰত এটা দীৰ্ঘম্যাদী পৰিকল্পনাক কেইবাটাও হ্ৰস্বম্যাদী পৰিকল্পনাত ভগাই লৈও উদ্দেশ্যসমূহ সাধন কৰিব পৰা যায়। এনে ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত পৰিকল্পনা অধিক বাস্তৱ আৰু ব্যৱহাৰিক বিধৰ হয়।

৭। **শিথিলতাৰ বৈশিষ্ট্য (Flexibility) ঃ** যিকোনো প্ৰতিষ্ঠানিক পৰিকল্পনা সাধাৰণতে শিথিল হোৱা দেখা যায়। পৰিৱৰ্তনীয় পৰিস্থিতিৰ লগত খাপ খুৱাই প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ হ'লে শৈক্ষিক ব্যৱস্থাত গ্ৰহণ কৰা প্ৰতিষ্ঠানিক পৰিকল্পনাসমূহো সময়ে সময়ে সংশোধন আৰু পৰিৱৰ্তন কৰাটো আৱশ্যকীয়।

৮। **সহযোগিতামূলক প্ৰচেষ্টাৰ পদক্ষেপ (Co-operative Venture) ঃ** প্ৰত্যেক শিক্ষানুষ্ঠানেই প্ৰতিষ্ঠানিক পৰিকল্পনাৰ উদ্দেশ্য সাধন কৰিবলৈ হ'লে শিক্ষানুষ্ঠানখনৰ সকলোধৰণৰ ব্যক্তিকে ইয়াৰ লগত জড়িত কৰাব লাগে। পৰিকল্পনা

Scanned with CamScanner

কেতিয়াও এজন ব্যক্তিৰ দায়িত্ব হিচাপে বিবেচনা নকৰি প্ৰত্যেকেই ইয়াক সম্পূৰ্ণ কৰি বাস্তৱ ৰূপ প্ৰদান কৰাত সহায়ৰ হাত আগবঢ়াব লাগে।

**৯। গণতান্ত্ৰিক নীতি (Democratic Nature) ঃ** পৰিকল্পনা প্ৰস্তুতকৰণৰ বেলিকা ইয়াৰ গণতান্ত্ৰিক নীতি মানি চলিব লাগে। প্ৰত্যেকৰে বক্তব্য বা মতামতক গুৰুত্ব দি সমূহীয়াভাৱে গ্ৰহণ কৰা পৰিকল্পনাটোৰ সম্পূৰ্ণ ৰূপ প্ৰদান কৰাত সমতাৰ নীতিক অপৰিহাৰ্য হিচাপে বিবেচনা কৰে।

**১০। জনমুখী বা সমাজমুখী (Mass Oriented or Community Centrad) ঃ** প্ৰতিষ্ঠানিক পৰিকল্পনা প্ৰস্তুত কৰোঁতে পৰিকল্পনা গ্ৰহণকাৰীয়ে জনসাধাৰণ নতুবা সমাজৰ প্ৰয়োজনীয়তাক আগস্থান দিয়ে। গতিকে ক'ব পাৰি এই পৰিকল্পনা জনমুখী বা সমাজমুখী।

**১১। প্ৰতিষ্ঠানিক পৰিকল্পনাবিশিষ্ট (Specific for an Institution) ঃ** এখন শিক্ষানুষ্ঠানে গ্ৰহণ কৰা প্ৰতিষ্ঠানিক পৰিকল্পনা কেৱল সেইখন অনুষ্ঠানতহে কাৰ্যকৰী কৰা হয়, আন শিক্ষানুষ্ঠানে কেতিয়াও তাক কাৰ্যকৰী কৰিব নোৱাৰে। সকলো শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত কেতিয়াও একেটা প্ৰতিষ্ঠানিক পৰিকল্পনা প্ৰযোজ্য নহয়। গতিকে ই বিশেষ বা বিশিষ্ট প্ৰকৃতিৰ।

Scanned with CamScanner